# তন্ত্র আৰু পুৰণি অসমৰ গুপুত ধৰ্মপন্থা আৰু সাহিত্য

**ড° মিলন নেওগ,** সহ-অধ্যাপক, অসমীয়া বিভাগ, এ.ডি.পি কলেজ, নগাঁও

অষ্টাদশ শতিকাৰ ভিতৰত সত্ৰ-সংগঠনৰ জৰিয়তে নৱবৈষ্ণৱ ধৰ্মই সৰ্বসাধাৰণ জনগণৰ ব্যাপক সঁহাৰি লাভ কৰিছিল। এই ধৰ্মৰ জৰিয়তেই মংগোলীয়মূলৰ বিভিন্ন জনগোষ্ঠীৰ এক ডাঙৰ অংশ হিন্দুবৃত্তত সোমাই পৰিছিল। নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰধান বৈশিষ্ট্য আছিল পাৰ্থিৱ ভোগ-বাসনাৰ পৰিৱৰ্তে সৰল-আনড়ম্বৰ জীৱন-যাপন। পাৰ্থিৱ ঐশ্বৰ্যৰ কামনাৰে বিভিন্ন দেৱ-দেৱীৰ উপাসনাৰ পৰিৱৰ্তে কেৱল ভক্তিৰ অহৈতুকী আনন্দত এজন ঈশ্বৰ (শ্ৰীকৃষ্ণ/বিষ্ণু)ক উপাসনা কৰাই নৱবৈষ্ণৱ ধমৰ আদৰ্শ। কিন্তু পাৰ্থিৱ আনন্দ আৰু ঐহিক সুখ-স্বাচ্ছন্দ্যৰ কামনা সাধাৰণ জনগণৰ ধৰ্মীয় চেতনাৰপৰা একেবাৰে মচ খাই যোৱা নাছিল। সেয়ে, তান্ত্ৰিক সাধনাও পৰিৱৰ্তিত ৰূপত চলি আছিল।

শিৱসিংহৰ দিনৰপৰা ৰজাঘৰীয়া পৃষ্ঠপোষকতাত শাক্তধৰ্মই নতুন ৰূপত (স্মাৰ্ত বিধি-ব্যৱস্থাৰ ৰূপত) খোপনি পোতাৰপৰা বৈষ্ণৱ ধৰ্মতো তাৰ প্ৰভাৱ পৰিছিল। আহোম শাসনৰ শেষৰ ফালে সত্ৰসমূহৰ মাজতো আদৰ্শচ্যুতি দেখিবলৈ পোৱা গ'ল। ৰজাঘৰৰ আদৰ অনুসৰিও সত্ৰৰ মৰ্যাদা নিৰ্ণীত হ'ল।[১] মহেশ্বৰ নেওগৰ ভাষাতে—

> পিছৰ কালত অসমৰ ভক্তি সম্প্ৰদায়ে এনেবোৰ প্ৰশ্নত আৰু ৰাজশক্তিৰ পৃষ্ঠপোষকতা লাভৰ চেষ্টাত নিজৰ সকলো শক্তি খৰচ কৰিছিল। প্ৰেমভক্তিত আত্মাৰ মুক্ত বিচৰণ, মানৱতাবোধৰ আৱেগত তন্ময়তা আদিতকৈ নিজ পন্থ বা সত্ৰৰ স্বাৰ্থৰ চিন্তা এতিয়া ডাঙৰ হৈ পৰিল।[২]

লক্ষ্মীসিংহৰ দিনত মোৱামৰীয়া বিদ্ৰোহে প্ৰতাপী আহোম শাসনত খলকনি তুলিলে। বিদ্ৰোহৰ পৰোক্ষ প্ৰভাৱস্বৰূপে তন্ত্ৰপ্ৰধান লোকায়ত ধৰ্মই সাৰ-পানী পাইছিল। ৰজাঘৰৰ শোষণৰপৰা হাত সাৰিবলৈও বহু লোকে সত্ৰত আশ্ৰয় লৈছিল। বিদ্ৰোহৰ কালত তেনে প্ৰজাইও ৰজাৰ বিৰুদ্ধে ঠিয় দিব পৰা হ'ল। আনহাতে বিদ্ৰোহৰ কালত বিদ্ৰোহী সত্ৰৰ শিচসকলে গোপনে ধৰ্মকৃত্য সম্পন্ন কৰিবলগীয়া হৈছিল। এনেদৰে বহু পলৰীয়া থান গঢ় লৈ উঠিছিল বুলি কোনো গৱেষকে মন্তব্য কৰিছে। মহেশ্বৰ নেওগে কৈছে—

> সম্ভৱত ধৰ্ম-বুৰঞ্জীৰ এই দুৰ্বল মুহূৰ্ততে বামাতন্ত্ৰৰ প্ৰভাৱৰ ফলত নিৰহ-নিপানী বৈষ্ণৱৰ মাজতো গোপন আচাৰৰ প্ৰচলন হৈছিল। ইয়াকে ৰীতিয়া অৰ্থাৎ অৰীতিয়া নামে জনা গৈছিল। পিছৰ কালত (সম্ভৱতঃ ব্ৰিটিশ যুগত) সিয়ে ৰাতিখোৱা, গোপীধৰা, কৰণিপতীয়া, বৰখেলীয়া আদি বিবিধ নামেৰে আৰু ৰূপেৰে বিস্তাৰিত হৈ পৰিছিল।[৩]

ৰাতিখোৱা, গোপীধৰা, কৰণিপতীয়া, বৰখেলীয়া আদি বিবিধ নাম আৰু ৰূপবোৰৰ বিস্তাৰ ব্ৰিটিছ যুগত হ'লেও এইবোৰৰ মূল বা উঁহ অতি পুৰণি। তাম্ৰশাসনৰ যুগৰ আৰম্ভণিলৈ কামৰূপত জনসাধাৰণৰ মাজত নানাধৰণৰ উৰ্বৰামূলক যাদু আদৰ্শই তেওঁলোকৰ অৰ্থনৈতিক আৰু সামাজিক জীৱন নিয়ন্ত্ৰণ কৰি আছিল। ইয়াৰ মাজতো আৰ্যপ্ৰবাহৰ সমান্তৰালভাৱে আৰ্যধৰ্মৰ নানা ধৰণৰ ব্যাপ্তিও নিশ্চয় ঘটিছিল। মন কৰিবলগীয়া যে বৈদিক আৰ্যসকলেও পৃথিৱীৰ সমস্ত মানৱজাতিৰ দৰে আদিম পৰ্যায় এটা অতিক্ৰম কৰি আহিবলগীয়া হৈছিল। আনহাতে, ভাৰতৰ অন্যান্য ঠাইৰ মাতৃপ্ৰধান জনগোষ্ঠীসমূহৰ সৈতে সম্পৰ্কৰপৰাও তেওঁলোকৰ প্ৰাৰম্ভিক পৰ্যায়ৰ জীৱন-পদ্ধতি সলনি হৈছিল। গতিকে, সেই আদিম পৰ্যায়ৰ চিন্তা-চেতনাৰ

অনেক স্মাৰক বৈদিক সাহিত্য বা তৎপৰৱৰ্তী পুৰাণ সাহিত্য তথা হিন্দুধৰ্মৰ মাজত ৰৈ যোৱাটো নিশ্চয় আশ্চৰ্যৰ কথা নহয়। উপনিষদত[৪] মৈথুনক অনেকবাৰ যজ্ঞৰ সমঅৰ্থত ব্যৱহাৰ কৰিছে। বংগ আৰু কামৰূপত আৰ্যসভ্যতাৰ বিস্তাৰ তুলনামূলকভাৱে অৰ্বাচীন আৰু তাৰ গতিও আছিল লেহেমীয়া। গতিকে, কামৰূপৰ জনগোষ্ঠীসমূহৰ সমাজত উৰ্বৰামূলক যাদু আদৰ্শৰ খোপনি যথেষ্ট গভীৰভাৱে প্ৰবাহিত হ'ব পাৰিছিল। "পৃথিৱীর পিছিয়ে পড়া পৰ্যায়ের মানুষদের কাছে যাদুবিশ্বাসগত অনুষ্ঠান বাদ দিয়ে কৃষিকাজ একান্তই অসম্ভৱ।"[৫] জি. থমচনৰ ভাষাত Accordingly agricultural society is characterised by the extensive development of magic.[৬] এই যাদুবিশ্বাসৰ মূল কথা— কামনা সফল কৰিবৰ বাবে সফল হোৱাৰ কোনো নকল তুলি ধৰা। নাৰী গৰ্ভৱতী হোৱাৰ লগত শস্যৰ অংকুৰণৰ সাদৃশ্যৰ ভিত্তিত তিৰোতা গৰ্ভৱতী হোৱাৰদ্বাৰা উৎপাদন বৃদ্ধি হয় বুলি বিশ্বাস কৰিছিল। তিৰোতাৰ লগত পৃথিৱী আৰু শস্যৰ তুলনাৰ উদাহৰণ হিন্দু সাহিত্য আৰু আচাৰ-অনুষ্ঠানত অজস্ৰ পোৱা যায়।[৭] 'তন্ত্ৰ' সাধনাত অপৰিহাৰ্য 'যন্ত্ৰ' নাৰীৰ জননাঙ্গৰ প্ৰতীক মাত্ৰ। 'তন্ত্ৰ'ত এটা প্ৰসিদ্ধ সাধনাৰ নাম ভগযান।[৮] 'ভগ'ৰ এটা অৰ্থ যোনি। 'তন্ত্ৰ'ৰ 'লতা' (পৰিভাষিক শব্দ) শব্দৰ অৰ্থও নাৰীৰ জননাঙ্গ।[৯]

সন্তান জন্ম হোৱা ঘটনাক 'ভূমিষ্ঠ' হোৱা বোলা হয়। মাটিৰপৰা বীজ অংকুৰণৰ ঘটনাৰ লগত নাৰীৰ গৰ্ভৰপৰা সন্তান জন্ম হোৱাৰ সাদৃশ্যৰ কল্পনা অনুন্নত সমাজৰ সাৰ্বজনীন ঘটনা— The assimilation of the fruit bearing soil to the child bearing woman is universal.[১০] তাৎপৰ্যমূলক কথা হ'ল আদিম সমাজৰ এই উৰ্বৰামূলক আদৰ্শবোৰ—

> এককালে অৰ্থনৈতিক উদ্দেশ্য করবার জোরেই— জীবনোপায়ের সহায়ক ছিলো বলেই— মানুষের চেতনায় এবং মানব সমাজে অত্যন্ত গুরুত্বপূর্ণ স্থান অধিকার করতে পেয়েছিলো।[১১]

পৰৱৰ্তী সময়ত এই ব্যৱস্থাৰ ওপৰত হিন্দুধৰ্ম আৰু বৌদ্ধধৰ্মৰ প্ৰভাৱৰ ফলতে হিন্দুতন্ত্ৰ আৰু বৌদ্ধতন্ত্ৰৰ বিকাশ হ'ল।

জনজীৱনৰ এই তলসুঁতীয়া চলমান জীৱন প্ৰৱাহৰপৰাই পৰৱৰ্তী সময়ত নানা ধৰণৰ তাত্ত্বিক আৰু দাৰ্শনিক পদ্ধতিৰ সংমিশ্ৰণত 'তন্ত্ৰ'ৰ বিকাশ হয়।

> Tanricism is neither Buddhism nor Hindu in origin. It seems to be a religious undercurrent, originally independent of any obstruse metaphysical speculation, flowing on from an obscure point of time in the religious history of India, with these practices and yogic processes, which characterise Tantricism as a whole, different philosophical or rather theological, system got closely associated in different times.[১২]
>
> তন্ত্ৰবাদ মূল বৌদ্ধধৰ্মও নহয়, হিন্দুধৰ্মও নহয়। ই হ'ল ভাৰতৰ ধৰ্মৰ বুৰঞ্জীত অতি প্ৰাচীন কালৰেপৰা সকলো ধৰণৰ জটিল অধিবিদ্যামূলক ক্ষেত্ৰৰপৰা স্বাধীনৰূপত প্ৰবাহিত হৈ থকা ধৰ্মীয় অন্তস্ৰোত। বিভিন্ন সময়ত এই প্ৰবাহটোৰ আচাৰ আৰু পদ্ধতিৰ লগত বিভিন্ন দাৰ্শনিক বা তাত্ত্বিক পদ্ধতি সংযোগ হৈছে।

প্ৰাচীন কামৰূপৰ বৌদ্ধধৰ্মৰ প্ৰসংগত তান্ত্ৰিক সাধন মাৰ্গৰ সম্পৰ্কই সাধাৰণভাৱে মনলৈ আহে।

'যোগিনী-তন্ত্ৰ'ত কোৱা হৈছে বিষ্ণু মণিকূটত হয়গ্ৰীৱ ৰূপে থাকে।[১৩] হাজোৰ হয়গ্ৰীৱ মন্দিৰ কেতিয়া নিৰ্মাণ কৰা জনা নাযায়। ষোড়শ শতিকাত 'ৰঘুদেৱনাৰায়ণে এই মন্দিৰ পুনৰ্নিৰ্মাণ কৰোৱা কথা দৰং ৰাজবংশাৱলী আৰু মন্দিৰৰ গাৰ ফলিৰপৰা জনা যায়।'[১৪] দৈত্যাৰি ঠাকুৰেও চৰিত পুথিত[১৫] মাধৱদেৱে হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ দৰ্শন কৰাৰ কথা কৈছে। বাণীকান্ত কাকতিয়ে এই হয়গ্ৰীৱক বৌদ্ধ তন্ত্ৰৰপৰা আমদানি কৰা বুলি অনুমান কৰিছে।[১৬]

সৰ্বেশ্বৰ ৰাজগুৰুৱে অসমত তন্ত্ৰৰ চৰ্চাৰ প্ৰসঙ্গত কৈছে—

> হিন্দুতকৈ তান্ত্ৰিক বৌদ্ধ সম্প্ৰদায়ৰ, অৰ্থাৎ বজ্ৰযানী বৌদ্ধ সম্প্ৰদায়ৰ বৰঙণিয়েই এইক্ষেত্ৰত বেছি। অসমত যোগিনীতন্ত্ৰ, কালিকাপুৰাণ আদি যিবোৰ তান্ত্ৰিক গ্ৰন্থ পোৱা গৈছে সেইবোৰত তান্ত্ৰিক বৌদ্ধধৰ্মৰ প্ৰভাৱ সুস্পষ্ট। হিন্দু তন্ত্ৰ গ্ৰন্থবোৰত বা হিন্দুৰ বিভিন্ন পীঠস্থানৰ পূজা পদ্ধতিত তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ উপাদান ওতপ্ৰোতভাৱে সংশ্লিষ্ট হৈ আছে।[১৭]

বিৰিঞ্চি কুমাৰ বৰুৱাইও কৈছে— "(প্ৰাচীন অসমৰ) মন্ত্ৰসমূহৰ বিষয়বস্তু বিশ্লেষণ কৰিলে সেইবোৰৰ ওপৰত বৌদ্ধ মহাযান ধৰ্মৰ মন্ত্ৰযান শাখাৰ প্ৰভাৱ পৰিছে বুলি অনুমান হয়।"[১৮]

গতিকে, প্ৰাক্‌শংকৰী যুগৰ কামৰূপৰ সকলো ধৰ্মীয় সম্প্ৰদায়েই মূলতঃ তন্ত্ৰপ্ৰধান বুলিব পাৰি। শংকৰদেৱেও বামাচাৰী, বুদ্ধ, পাষণ্ড আদি শব্দ এই প্ৰসঙ্গত উল্লেখ কৰিছে—

'বুদ্ধ অৱতাৰে বেদ পন্থ কৰি ছন্ন।
বামানয় শাস্ত্ৰে মুহি আছে অজ্ঞজন।'[১৯]

গৱেষকসকলৰ মতে, ইয়াত 'বুদ্ধ' শব্দৰে বৌদ্ধধৰ্মৰ শেহতীয়া তান্ত্ৰিক ধাৰাটোক বুজোৱা হৈছে।

It is assumed that during the the period of Sankaradeva Buddism spread in a degraded form and admitted heterodoxy.[২০]

বংশীগোপালদেৱে 'বৌদ্ধ'ৰ প্ৰতাপৰ বাবেই আহোম ৰাজ্য এৰিবলগা হৈছিল বুলি চৰিতত পোৱা যায়—

বৌদ্ধৰ নিমিত্তে পুনু পশ্চিমক গৈলা।[২১]

উল্লেখযোগ্য, মোৱামৰা / মায়ামৰা শব্দৰ উৎপত্তি 'মুআমৰা' শব্দৰপৰা হোৱা বুলি পোৱা যায়। টাই ভাষাত 'মুআমৰা' মানে 'হাতেৰে চৰুৰ বিঘিনি গাঁঠি গুচোৱা'; 'তামোল মেলা' (কটা) বা 'দেউৰী'। মায়ামৰা ধৰ্ম-সংস্কৃতিত তামোল-পাণৰ আধ্যাত্মিক গুৰুত্ব অতি বেছি।

> ভকতে যিকোনো কাৰণত গুৰুৰ আগত আঁঠু লোৱাৰ আগতে এখনি নিজে বা খাটনিয়াৰৰদ্বাৰা সেই শৰাই 'মেলি' বা 'গাঁঠি গুচাই'... 'চালিখোৱা, 'চাউলখোৱা', 'সমাজখোৱা' আদি মায়ামৰা সমাজৰ ধৰ্মীয় অনুষ্ঠানসমূহতো গুৰুৰ হৈ গাঁওবুঢ়াইহে একে ধৰণেৰে 'শৰাই' বা ঠচৰুৰ' বিঘিনি গাঁঠি গুচোৱা নিয়ম। আনকি 'পকা' বা 'সিজোৱা' সকামতো চৰুৰ তললৈ নিয়া খৰিকেইডালত অনুষ্ঠুপীয়াকৈ হ'লেও গাঁওবুঢ়াইহে জুই সংযোগ কৰি দিব লাগে... ।[২২]

বিঘিনি (বিঘ্ন)ৰ ধাৰণা ভক্তিধৰ্মৰ বাহিৰৰ। পিছপৰি ৰোৱা জনজাতীয় সমাজৰপৰাই বিঘ্নৰ কাৰণ বা বিঘ্ননাশক গণেশ দেৱতাৰ বিকাশৰ তথ্য পোৱা যায়। অনিৰুদ্ধদেৱে গোপাল আতাক লগ পোৱাৰ আগতে সম্ভৱত এনে কোনো লোকায়ত ধৰ্ম পালন কৰিছিল বাবেই গোপাল আতাই তেওঁক 'পুৰণি ভকত' বুলিছিল।[২৩] মোৱামৰীয়া সম্প্ৰদায়ত বিভিন্ন জনজাতীয় লোকৰ সমন্বয়ো এই ক্ষেত্ৰত মন কৰিবলগীয়া।

মাধৱদেৱৰ সময়তে এনে বামাচাৰী বৌদ্ধধৰ্মই যে নৱবৈষ্ণৱ ধৰ্মকো প্ৰভাৱিত কৰিছিল মাধৱদেৱৰ এফাঁকি ঘোষাৰপৰা অনুমান কৰিব পাৰি—

'অন্ন যোনি কিছু নকৰে বিচাৰ
জাতি কুল ভৈল ভ্ৰষ্ট।
বৈষ্ণৱৰ বেশ ধৰিয়া ফুৰয়
বেদ পন্থ কৰি নষ্ট।।'[২৪]

কামৰূপত আৰ্যসভ্যতাৰ প্ৰভাৱ পৰাৰ আগৰেপৰা আদিম জনসমাজৰ, বিশেষকৈ আদিম কৃষিজীৱী সমাজৰ উৰ্বৰামূলক যাদু আদৰ্শসমূহ চলি আছিল। আৰ্য ধৰ্ম বা বৌদ্ধধৰ্মৰ বিস্তাৰৰ পিছতো এইবোৰ নোহোৱা হোৱা নাছিল। (ভাৰতৰ ক্ষেত্ৰত আৰ্য সংস্কৃতিয়ে আৰ্যসকলৰ আদিম বিশ্বাস আৰু ধ্যান-ধাৰণাৰ লগতে ভাৰতৰ আদিম অধিবাসীৰ ধ্যান-ধাৰণাক সময়ৰ লগে লগে সলনি কৰি লৈছিল।)

> কৃষি বিদ্যার প্রাথমিক পর্যায় পার হয়ে উত্তৰ পর্যায়ে পৌঁচবার পরও ওই প্রাথমিক পর্যায়ের ধ্যান ধারণার স্মারক উত্তরকালের ধর্মবিশ্বাস ও আচরণের মধ্যে টিকে থাকতে পারে। এবং এই কারণেই আমাদের দেশের শুধু তান্ত্রিক সাহিত্যই নয়, মন্দির ভাস্কর্য ইত্যাদির ক্ষেত্রেও বামাচার বা কামাচারের অজস্র স্মারক চোখে পড়ে।[২৫]

আৰ্য সভ্যতাই কামৰূপলৈ পদ্ধতিগত ৰূপত যিটো ধৰ্ম-ব্যৱস্থা কঢ়িয়াই আনিছিল, সেই ব্যৱস্থা সুদৃঢ় ৰূপত গ্ৰহণ কৰিব পৰা মানসিক পৰিস্থিতি কামৰূপৰ গঢ়ি উঠা নাছিল। কাৰণ উৎপাদন ব্যৱস্থাৰ উন্নতি নোহোৱাকৈ এনে হোৱা সম্ভৱপৰ নাছিল। আনহাতে, আদিম জনসমাজত প্ৰচলিত অবৈদিক ধৰ্মধাৰাকো সময়ৰ লগে লগে পদ্ধতিগত ৰূপ দিয়া হৈছিল। 'কালিকা-পুৰাণ' আৰু 'যোগিনী-তন্ত্ৰ' এনে প্ৰচেষ্টাৰে স্মাৰক বুলি ভাবিব পাৰি। অৰ্থাৎ আদিম সমাজৰ যাদুমূলক উৰ্বৰাকল্প প্ৰধানকৈ আদিম মানুহৰ জীৱন-যাপনৰ তাড়নাৰ লগত জড়িত যদিও ক্ৰমে ক্ৰমে ইয়েই ধৰ্মৰ ৰূপ লয়। এই কৃষিকেন্দ্ৰিক যাদু

অনুষ্ঠানতেই তন্ত্ৰৰ জন্ম।[২৬] "তান্ত্ৰিক বৌদ্ধধৰ্ম এক সমান্তৰাল ধৰ্ম যি কেৱল নামতহে বৌদ্ধধৰ্ম। তান্ত্ৰিক দৰ্শন আৰু পন্থা এক, সি বৌদ্ধ হওক, শাক্ত হওক বা শৈৱ হওক, স্বাভাৱিকতে স্বাধীন পন্থা আৰু দৰ্শন।"[২৭]

গতিকে, প্ৰাক্‌শংকৰী যুগৰ কামৰূপৰ শৈৱ, শাক্ত আৰু বৌদ্ধ ধৰ্মৰ উপৰি বৈষ্ণৱ ধৰ্মও তন্ত্ৰপ্ৰধান হোৱাৰ মূলতে, কামৰূপৰ অধিবাসীসকলৰ মাজত ইতিমধ্যেই প্ৰচলিত তান্ত্ৰিক ধ্যান-ধাৰণাৰ বিস্তৃতি আৰু গভীৰতা।[২৮]

দেৱঘৰৰ নটিনী আচলতে দেৱগনিকাহে।[২৯] অসমতো দেৱ মন্দিৰত এনে নটিনী থকাৰ কথা কাকতিয়ে আলোচনা কৰিছে।[৩০] এই দেৱ নটিনী বা দেৱ গণিকাৰ মূলতে যে আদিম উৰ্বৰাকল্প এই বিষয়ে ফ্ৰেজাৰে বিস্তৰ উদাহৰণ দি কৈছে—

> A great Mother goddess the personification of all the reproduction energies of nature, was worship under different names but with a substantial similarity of mith and ritual by many people of western Asia... Union of the human sexes at the sanctuary of the goddess for the sake of there by ensuring the fruitfulness of the goddess and the increase of man and beast.[৩০]

কামৰূপৰ জনগাঁথনিৰ কিৰাত প্ৰাধান্য আৰু বস্তু-সংস্কৃতিৰ বিকাশৰ লেহেমীয়া গতিলৈ মন কৰিলে কামৰূপত আদিম উৰ্বৰামূলক যাদু আদৰ্শৰ ব্যাপক প্ৰসাৰ আৰু গভীৰ পোতন অনুমান কৰিব পাৰি। এনে তন্ত্ৰপ্ৰধান বামাচাৰী ধাৰাটো নৱবৈষ্ণৱ ধৰ্মৰ ব্যাপক বিস্তাৰৰ কালত গোপনীয় হ'বলৈ বাধ্য হৈছিল। 'সাতসৰী অসম বুৰঞ্জী'[৩১]ত পোৱা যায় যে কমলেশ্বৰ সিংহৰ দিনত 'ৰাতিখোৱা পন্থ'ৰ পানীমুৱা নামৰ এজন মানুহে পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছিল। গজলা মহন্ত আছিল এই সম্প্ৰদায়ৰ মুৰব্বী বা গুৰু। গোটেই আঁচনিটো ৰাতিখোৱা সবাহত গোপনে কৰা হৈছিল।

ৰজাঘৰৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ আঁচনি কৰিবলৈ ষড়যন্ত্ৰকাৰীসকল যেতিয়া গোপনে লগ হৈছিল তেতিয়া আঁচনিৰ সফলতাৰ বাবে উপাস্যজনৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ হয়তো ধৰ্মীয় চেতনাই তেওঁলোকক উৎসাহিত কৰিছিল। আনহাতে নৱবৈষ্ণৱ ধৰ্মই যিহেতু এনে সকাম প্ৰাৰ্থনাৰ সমৰ্থন নজনায়, গতিকে তন্ত্ৰমূলক লোকায়ত ধৰ্ম বা বামাচাৰী ৰীতিৰ আশ্ৰয় লৈছিল। কিন্তু নৱবৈষ্ণৱ ধৰ্মৰ হৰিনামৰ ব্যাপক প্ৰভাৱৰপৰাও এনে লোকসকল হাত সাৰিব পৰা নাছিল। গতিকে নৱবৈষ্ণৱ ধৰ্মৰ আদৰ্শৰ অধ্যাৰোপণেৰে (superimposed) লোকায়ত ধৰ্মৰপৰা 'ৰাতিসেৱা' ধৰণৰ নানা ৰূপবোৰৰ বিকাশ হোৱাত এনেধৰণৰ গোপন ষড়যন্ত্ৰবোৰৰো অৰিহণা থাকিব পাৰে।

কনকলাল বৰুৱাই ধৰ্মপালৰ তামৰ ফলিত থকা 'ধৰ্ম' শব্দটো তান্ত্ৰিক বৌদ্ধধৰ্মৰে সমাৰ্থক বুলি কৈছে। তেখেতৰ মতে, ৰাতিখোৱা বা পূৰ্ণধৰীয়া আদি পন্থবোৰ তান্ত্ৰিক বৌদ্ধধৰ্ম আৰু জনজাতীয় আচাৰৰ সংমিশ্ৰণত সৃষ্টি হয়।[৩২] নৱবৈষ্ণৱ ধৰ্মানুগামী জনজাতীয় লোকৰ সংখ্যা বাঢ়ি অহাৰ সমান্তৰালকৈ বৈষ্ণৱ পৰম্পৰাটোতো এই ধৰণৰ গোপন আচাৰ চলিবলৈ ধৰিলে। চাৰিওটা সংহতিৰ সত্ৰসমূহতে জনজাতীয় শিচ বাঢ়িছিল যদিও কালসংহতিৰ ক্ষেত্ৰতে এই সংখ্যা আছিল সৰ্বাধিক। কালসংহতিৰ সত্ৰসমূহে জনজাতিসকলক ভক্তিধৰ্মৰ ভিতৰত উদাৰভাৱে সুমুৱাই ল'বলৈ বহুক্ষেত্ৰত ধৰ্মীয় আচাৰ শিথিল কৰি দিছিল। ফলত এই সংহতিৰ সত্ৰসমূহৰ জনজাতি-শিষ্যৰ সংখ্যাধিক্যৰ বাবে পৰৱৰ্তী সময়তো এই নীতি সলনি কৰিব পৰা নাছিল। আনহাতে, এখন সত্ৰই ৰজাঘৰত মৰ্যাদা পোৱাৰ ক্ষেত্ৰত শিষ্যৰ সংখ্যা এক প্ৰধান মানদণ্ড হৈ পৰাত অন্যান্য সত্ৰসমূহেও জনজাতিসকলক শৰণ দি শিষ্যৰ সংখ্যা বৃদ্ধিত গুৰুত্ব দিছিল; কিন্তু তেওঁলোকৰ মানসিক উত্তৰণত বিশেষ যত্ন লোৱা নাছিল।[৩৩]

প্ৰায়ভাগ সত্ৰাধিকাৰেই আধ্যাত্মিক দিক্‌দৰ্শক হোৱাতকৈ প্ৰভু (গুৰু)ৰূপে শিচৰপৰা মান-সন্মান, দান-বৰঙণি লৈয়েই থাকিল। এনে কাৰণতে, নৱবৈষ্ণৱ ধৰ্মৰ 'নাম' (হৰিনাম) মাত্ৰ লৈ জনজাতিসকলে পৰম্পৰাগত আচাৰ-ৰীতিয়েই সমান্য সলনি কৰি মানি থাকিল। সত্ৰৰ লগত ঘনিষ্ঠতা গাঢ় নোহোৱাত জনজাতীয় উৰ্বৰাকল্প (fertility rites), তান্ত্ৰিক বৌদ্ধধৰ্ম আৰু নৱবৈষ্ণৱধৰ্মৰ আচাৰ-ৰীতিৰ সংযোগত নানা অৰীতিয়া পন্থৰ বিকাশ হৈছিল।

তন্ত্ৰ সাধনাৰ দৰে ৰাতিসেৱা অনুষ্ঠানবোৰতো জাত-পাতৰ কোনো বিচাৰ নাই। আনকি পুৰুষৰ সমানে মহিলাৰ অংশগ্ৰহণ কেৱল গ্ৰহণীয়েই নহয়, অত্যাৱশ্যকীয়ও। সমকালীন সমাজত ৰজাঘৰৰ প্ৰত্যক্ষ সহযোগত ব্ৰাহ্মণ্য শাক্ত ধৰ্ম প্ৰবল হৈ অহাৰ সমান্তৰালভাৱে সত্ৰসমূহৰ একাংশইও বৰ্ণবাদী ভেদভাৱক প্ৰাধান্য দিবলৈ লৈছিল। এনে ক্ষেত্ৰত, জাতিভেদহীন জনজাতীয় সমাজ শৃংখলাৰপৰা হিন্দু শৃংখলাত সোমাই পৰা জনজাতি আৰু নিম্নবৰ্ণৰ হিন্দু (অজনজাতি)সকলক প্ৰচলিত কোনো ধৰ্মই শান্তি দিব পৰা নাছিল। এনে পৰিস্থিতিত ৰাতিসেৱাৰ দৰে অনুষ্ঠানৰ প্ৰচলন স্বাভাৱিকতে বাঢ়ি আহিছিল।

কেৱল সত্ৰৰ শিচ হোৱা জনজাতিসকলেই ৰাতিসেৱা অনুষ্ঠান পতা নাছিল। বৰং নৱবৈষ্ণৱ ধৰ্মৰ পৰিধিৰ বাহিৰত

থাকি পৰম্পৰাগত সংস্কৃতি মানি চলা সকলেও এইবোৰ অনুষ্ঠান পাতিছিল। কাৰণ, পোনপটীয়াকৈ সত্ৰৰ শিচ নহ'লেও নৱবৈষ্ণৱ ধৰ্মৰ সৰ্বাত্মক প্ৰভাৱৰপৰা তেওঁলোকো একেবাৰে আঁতৰি থাকিব পৰা নাছিল।

> যি সকল জনজাতীয় লোকে প্ৰত্যক্ষভাৱে শৰণীয়া (কছাৰী), ভকতীয়া (মিৰি) হৈ বৈষ্ণৱ ধৰ্মত দীক্ষিত হ'বলৈ কুণ্ঠাবোধ কৰিছিল বা এই ধৰ্ম আচৰিবলৈ পৰম্পৰাগত সমাজ ব্যৱস্থাই অনুমতি দিয়া নাছিল তেওঁলোকেও হেলাৰঙে সাতামপুৰুষীয়া ৰীতি-নীতি (কেঁচা সকাম) মানি পৰোক্ষভাৱে অৰীতিয়া এই বৈষ্ণৱ ধৰ্মৰ সাধনা কৰিব পাৰিছিল।[৩৪]

নিৰ্মলপ্ৰভা বৰদলৈয়ে এনেধৰণৰ গোপন সাধনাৰ ওপৰত বংগীয় সহজীয়া মতৰ প্ৰভাৱো আছে বুলি ভাবে।[৩৫] মণিৰাম দেৱানে এই অৰীতিয়া পন্থৰ সাধন সম্পৰ্কে এইদৰে লিখিছে—

> এজন বৃদ্ধভক্ত সৰ্দ্দাৰ হয়। তাহাতে শঙ্কৰ-মাধৱৰ নামোচ্চাৰনো কৰে। গুপ্তমনি১ চিন্তামনি১ অন্নাদি বিচাৰ১ ৰহস্যামৃত১ এমত নামেৰ সাত আষ্টখন সাস্ত্ৰ ঐ পথেৰ মাৰ্গপ্ৰদৰ্শক কোনোলোকেৰ নতুন কৃত, তথাচ শঙ্কৰ মাধৱেৰ ৰচিত সম্বাদ বুলী কহে।... হংস পাৰাবত ভক্ষন গৃদ্ধ সেনত চিল্লি তাবত পশু-পক্ষি ভক্ষনেতেও নিষেধ নাই, জে সে জাতিৰ কৈৱৰ্ত্ত হাৰি পৰ্য্যন্ত একজনে ৰন্ধন কৰিলেই ব্ৰাহ্মণ কায়স্থাদি সকলেই একসামীল ভোজন কৰে। তাহাতে ৰজচ্চলা স্ত্ৰিৰ পাক কৰাতে অত্যুত্তম কহে। তাহা ভোজনাবাসানে টোকাৰি ৰামতালদ্বাৰা সঙ্কৰ মাধবান্তে দীৰ্ঘস্বৰে গান কৰে।... মদ্যকে দুগ্ধবত, মাংসকে মতসেৰ মত, ভক্ষান সামগৃৰ মত দেখিতে পাই।[৩৬]

ৰাতিসেৱাৰ দৰে গোপন ধৰ্মানুষ্ঠানৰ উদ্ভৱ আৰু বিকাশ যেনেকৈয়ে নহওক, এই ধৰণৰ গোপন ধৰ্মপন্থাৰ অনুগামীসকলে নিজকে বৈষ্ণৱ বুলিয়েই পৰিচয় দিয়ে। ক্ষেত্ৰ অধ্যয়নৰপৰা দেখা গৈছে আহোম, মিচিং, চুতীয়া, ঠেঙাল কছাৰী আদি জনগোষ্ঠীৰ বহু লোকেই এনে গোপন ধৰ্মপন্থাৰ অনুগামী আৰু তেওঁলোকে নিজকে কালসংহতিৰ বিভিন্ন সত্ৰৰ শিচৰূপে পৰিচয় দিয়ে। ৰাতিসেৱা, গোপীধৰা, বৰসেৱা আদি গোপন অনুষ্ঠানবোৰৰ আচাৰ-ৰীতিত অঞ্চলভেদে কিছু পাৰ্থক্য আছে যদিও সকলো অঞ্চলৰ সকলো জনগোষ্ঠীৰ এই ধৰণৰ অনুষ্ঠানবোৰৰ কিছুমান সাধাৰণ বৈশিষ্ট্য আছে। এইবোৰ হ'ল—

ক) এই ধৰণৰ অনুষ্ঠানবোৰ সাধাৰণতে নিশাভাগত গোপনে অনুষ্ঠিত হয়। ৰাজহুৱা বা ব্যক্তিগত নামঘৰ ব্যৱহাৰ কৰা নহয়, বৰং জনবসতিৰপৰা একাষৰীয়া ঠাইত অস্থায়ীভাৱে অনুষ্ঠানস্থলী নিৰ্মাণ কৰি লোৱা দেখা যায়।

খ) এনে গোপন ধৰ্মপন্থৰ অনুগামীসকলে এজম মাত্ৰ ঈশ্বৰকে উপাসনা কৰে বুলি দাবী কৰে।

> Followers claim to have worshipped only one god... some of them are worshippers of Krisna along with this consort Radhan, while others use to worship Sankar (Siva) as the supreme Being.[৩৭]

গ) মহিলাৰ অংশগ্ৰহণ আৰু যৌনধৰ্মী আনুষ্ঠানিকতা মন কৰিবলগীয়া বিশেষত্ব। এনে পন্থৰ 'ভকত' হ'বলৈ, বিশেষকৈ 'সাধু' হ'বলৈ 'তেলকৰণি'ৰ দৰে কিছু স্তৰ পাৰ হ'ব লাগে। যৌনধৰ্মী এই স্তৰটোত ভকত বা সাধুজনৰ কামনা-বাসনাৰ ওপৰত নিয়ন্ত্ৰণৰ পৰীক্ষা হয়। 'মূলাসেৱা'ৰ দৰে অনুষ্ঠানবোৰ is nothing but a form of phallic worship which is still prevailing among some people of different countries of the world.[৩৮]

গোপীধৰা অনুষ্ঠানত ভাগ লোৱা সকলো ভকত-ভকতনী উলংগ হৈছিল।

ঘ) মন এইবোৰ অনুষ্ঠানৰ অপৰিহাৰ্য উপাদান।

তিৱা, মিচিং, আহোম আদি জনগোষ্ঠীসকলে পতা বৰসেৱাত পঞ্চমকাৰ অপৰিহাৰ্য।

ঙ) এইবোৰ অনুষ্ঠানত ভকতক উপাস্যজনৰ অংশৰূপে গণ্য কৰা হয়। দাস্যভক্তিৰ প্ৰাবল্য এনে অনুষ্ঠানৰ মন কৰিবলগীয়া দিশ।

চ) তান্ত্ৰিক মাৰ্গীয় আচাৰ-ৰীতি পালন কৰিলেও শংকৰদেৱৰ নামো শ্ৰদ্ধাসহকাৰে লোৱা হয়—

'সঙ্গতে শঙ্কৰ ভোজনত মাধৱ
প্ৰদীপ গোপালদেৱ।
এই তিনিজনাই সসঙ্গ মিলাইছে
পাৰে পৰি কৰো সেৱ।।'[৩৯]

নতুনকৈ ভকত হোৱা কোনো ব্যক্তি প্ৰথম গোপন অনুষ্ঠানত ভাগ হ'বলৈ আহোঁতে সোধা হয়—

'আহিব জানিলা ভাবে প্ৰাণ বান্ধৱ
ভাবিব জানিলা ভাও।
শ্ৰীশংকৰ গুৰু জগত জুৰি আছে
ক'তেদি আহিলা পাও।।'

ইয়াৰ উত্তৰত নতুন ভকতে কয়—

'আহিব জানিলো ভাৱে মোৰ বান্ধৱ
ভাবিব জানিলো ভাও।
শ্ৰীশংকৰ গুৰুক শিৰত তুলি লৈলো
শূন্যত দি আহিলো পাও।।'

তদুপৰি এইবোৰ অনুষ্ঠানত 'নামঘোষা', কীৰ্ত্তন-পুথিৰ 'হৰমোহন', 'ৰাসক্ৰীড়া' আদিৰপৰাও ঘোষা-পদ গোৱা হয়।

অসমৰ সাংস্কৃতিক ইতিহাসৰ গুপুত ধৰ্ম আৰু সাহিত্য এতিয়াও প্ৰায় অনালোচিত বিষয় হৈ আছে। বিষয়টোৰ গভীৰ অধ্যয়নে অসমৰ সমাজ ইতিহাসৰ বহু নতুন দিশ পোহৰাই তুলিব বুলি ভাবিব পাৰি।♦

**পাদটীকা:**

১। *বুৰঞ্জি বিবেক-ৰত্ন* (সম্পা. নগেন শইকীয়া), পৃ. ২৭
২। মহেশ্বৰ নেওগ, *অসমৰ ধৰ্মৰ বুৰঞ্জী: আন্ধাৰ আৰু পোহৰ*, পৃ. ৬০
৩। উক্ত, পৃ. ৬০
৪। *ছান্দোগ্য উপনিষদ (৫/৮/১), বৃহদাৰণ্যক উপনিষদ (৬/৮/৩)*
৫। দেৱীপ্ৰসাদ চট্টোপাধ্যায়, *লোকায়ত দৰ্শন*, পৃ. ৩৪৩
৬। উদ্ধৃতি, *পূৰ্বোক্ত*, পৃ. ৩৪৩
৭। শিৱনাথ বৰ্মন, *লোককৃষ্টিৰ উৎস*, পৃ. ৩৭-৩৮
৮। দেৱীপ্ৰসাদ চট্টোপাধ্যায়, *লোকায়ত*, পৃ. ৩৯৪
৯। *প্ৰাগুক্ত*, পৃ. ৩৯
১০। R.Briffold, *The Mother*, p. 59
১১। দেৱীপ্ৰসাদ চট্টোপাধ্যায়, উক্ত, পৃ. ৪৩১
১২। N.S. Dasgupta, *Obscure Religious Cult. as Background of Bengali Literature*, p. 27
১৩। *যোগিনী-তন্ত্ৰ*, ২/৯/৯
১৪। *বাণীকান্ত ৰচনাৱলী* (সম্পা.: মহেশ্বৰ নেওগ), পৃ. ১৪০
১৫। দেৱীপ্ৰসাদ চট্টোপাধ্যায়, উক্ত, পৃ. ৪৬২
১৬। *যোগিনী-তন্ত্ৰ*, ২/৯
১৭। মহেশ্বৰ নেওগ, *পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি*, পৃ ২৬
১৮। দৈত্যাৰি ঠাকুৰ, ১০৯০
১৯। *বাণীকান্ত ৰচনাৱলী* (সম্পা.: মহেশ্বৰ নেওগ), পৃ. ১৯৭
২০। সৰ্বেশ্বৰ ৰাজগুৰু, 'তন্ত্ৰ সাহিত্য আৰু অসমত ইয়াৰ চৰ্চা', *দৈনিক জনমভূমি*, ২০ ডিচেম্বৰ ২০০৮
২১। বিৰিঞ্চি কুমাৰ বৰুৱা, *অসমীয়া ভাষা আৰু সংস্কৃতি*, পৃ. ৮৯
২২। সুশীল কুমাৰ গগৈ, মায়ামৰা সংস্কৃতি আৰু মটক সমাজ, *সাতসৰী*, ১-১৫ ফেব্ৰুৱাৰী, ০৭, পৃ. ৩৮
২৩। দেৱীপ্ৰসাদ চট্টোপাধ্যায়, *উক্ত*, পৃ. ১৪০
২৪। *নামঘোষা*, ২৯৫
২৫। দেৱীপ্ৰসাদ চট্টোপাধ্যায়, উক্ত, পৃ. ৪৪৭
২৬। *পূৰ্বোক্ত*, পৃ. ৪৫০
২৭। প্ৰণৱজ্যোতি ডেকা, *চৰ্যাগীত আৰু বৌদ্ধতন্ত্ৰ*, পৃ. ৩৬
২৮। হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰৰ পূজা পদ্ধতি মূলতঃ তান্ত্ৰিক। ইয়াত হিন্দু আৰু বৌদ্ধ— দুয়ো ধৰ্মৰ লোকেই উপাসনা কৰে। এই কথাটোৱে হয়গ্ৰীৱ মাধৱ যে মূলতঃ তন্ত্ৰ বা আদিম দেৱতা সেই কথাৰ প্ৰমাণ দিয়ে।
২৯। *বাণীকান্ত ৰচনাৱলী* (সম্পা.: মহেশ্বৰ নেওগ), পৃ. ১৮০
৩০। James Fraser, *The Golden Bough*, p. 331
৩১। *সাতসৰী অসম বুৰঞ্জী*, ষষ্ঠ বুৰঞ্জী, ছেদ-১৭৮
৩২। Kanaklal Baruah: *Early History of Kamrupa*, p. 203
৩৩। "The paka section of the Ahoms forming probably are majority, followers undoubtedly a trantric line of worship. The Ahoms of the paka line are disciples of such satras as ceca, Chaliha, Budbari, Katani,

Kardaiguri, Bareghoria and others, all of which are of Kalasamhati", p. Gogoi, *Tai Ahom Religion and Customs,* p.22

৩৪। উপেন ৰাভা হাকাচাম, *মণিকাঞ্চন,* নৱেম্বৰ, ২০০৪

৩৫। নির্মলপ্রভা বৰদলৈ, *গোপন সাধনা ৰাতিসেৰা,* পৃ. ৩৩

৩৬। *বুৰঞ্জি বিবেক-ৰত্ন,* পৃ. ২০৭

৩৭। N.N. Dutta, *Obscure Religious Practices among some Vaishnavas of Assam*, p. 104

৩৮। *Ibid*, p. 108

৩৯। নির্মলপ্রভা বৰদলৈ, *পূর্বোক্ত,* পৃ. ৪৬